C. S. (Main) Exam : 2011

Sl. No.

D–DTN–L–BTB

# ASSAMESE

## Paper—II

## ( Literature )

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

## INSTRUCTIONS

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

## Section—A

**1.** তলৰ চাৰিটা প্ৰশ্নৰ উত্তৰ সংক্ষেপে লিখা। প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত হ'ব লাগিব : 15×4=60

(a) 'পাৰিজাত হৰণ' নাটকত শশী-সত্যভামাৰ বাদানুবাদৰ কাৰণ আৰু প্ৰকৃতি বৰ্ণনা কৰা।

(b) 'অযোধ্যা কাণ্ড' ৰামায়ণৰ কাব্যিক বিশেষত্ব চমুকৈ আলোচনা কৰা।

(c) ভট্টদেৱে কি কাৰণে আৰু এখন ভাগৱত ন কৈ প্ৰণয়ন কৰিবলৈ ল'লে? সেইখন ভাগৱতৰ বিশেষত্ব কি?

(d) ডঃ বাণীকান্ত কাকতিৰ দৃষ্টিভঙ্গীত 'বৰগীত' কি? ইয়াক কিহৰ লগত তুলনা কৰিছে, আলোচনা কৰা।

2. তলৰ প্ৰশ্ন দুটাৰ উত্তৰ চমুকৈ লিখা : 30×2=60

(a) ''কৃষ্ণৰ অপ্ৰিয় বাণী শুনি গোপীগণ।
পাইলেক দুৰন্ত চিন্তা মলিন বদন ॥''

শ্ৰীকৃষ্ণই গোপীসকলক কৰা এই কটাক্ষৰ প্ৰসঙ্গ আৰু তাৎপৰ্য ব্যাখ্যা কৰা।

(b) ''কামজয় নামে ইটো কেশৱৰ কেলি।'' এই উক্তিৰ আধাৰত কীৰ্ত্তনৰ অন্তৰ্গত ৰাসক্ৰীড়াৰ প্ৰকৃতাৰ্থ নিৰ্ণয় কৰা।

3. তলৰ প্ৰশ্ন দুটাৰ চমুকৈ উত্তৰ লিখা : 30×2=60

(a) 'ৰাজসূয়'ৰ অতি আকৰ্ষণীয় বৰ্ণনাখণ্ড কি বা কোনখিনিত? 'ৰাজসূয়'ৰ কাব্যিক মহত্ত্ব সংক্ষেপে বিশ্লেষণ কৰা।

(b) 'ৰাজসূয়' কাব্যৰ ভিত্তিত মহাপুৰুষ মাধৱদেৱৰ কাব্যিক প্ৰতিভাৰ শ্ৰেষ্ঠত্ব নিৰূপণ কৰা।

4. তলৰ প্ৰশ্ন দুটাৰ উত্তৰ চমুকৈ লিখা : 30×2=60

(a) ''অসমীয়া গদ্য সাহিত্যৰ বিকাশত 'গুৰু-চৰিত কথা' নিঃসন্দেহে এটা মাইলৰ খুটা।'' কথাষাৰৰ যথাৰ্থতা দৰ্শোৱা আৰু যুক্তি সহকাৰে প্ৰতিপন্ন কৰা।

(b) 'গুৰু-চৰিত কথা'ৰ ভিত্তিত মহাপুৰুষ শংকৰদেৱৰ বাল্যকাল তথা 'যি মূলা বাঢ়িব দু-পাততে চিন' গুৰুজনাৰ পঢ়াশলীয়া জীৱনৰ বিষয়ে তোমাৰ ভাষাত লিখা।

## Section—B

5. তলৰ চাৰিটা প্ৰশ্নৰ উত্তৰ সংক্ষেপে লিখা। প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত হ'ব লাগিব : 15×4=60

(a) কৃপাবৰ বৰুৱাই কাক প্ৰতিনিধিত্ব কৰিছে যেন লাগে? 'কৃপাবৰী' ব্যঙ্গৰ বিষয়ে চমুকৈ লিখা।

(b) 'মনোমতী' উপন্যাসৰ ঐতিহাসিক পটভূমি তোমাৰ ভাষাত দাঙি ধৰা।

(c) 'জীৱনৰ বাটত' উপন্যাসত বীণা বৰুৱাই 'তগৰ'ৰ চৰিত্ৰটি কেনেভাবে উপস্থাপিত কৰিছে, চমুকৈ আঁতি-গুৰি মাৰি লিখা।

(d) 'প্ৰতিমা' কবিতাটিৰ মাজেদি কবিজনাৰ ৰোমান্তিক ভাবাদৰ্শ কেনেভাবে প্ৰতিফলিত হৈছে, তাৰ আভাস দিয়া।

**6.** তলৰ প্ৰশ্ন দুটাৰ উত্তৰ চমুকৈ লিখা : 30×2=60

(a) কি কি সাহিত্যিক গুণৰ বাবে 'মৃত্যুঞ্জয়' উপন্যাসখনে সৰ্ব্বভাৰতীয় 'জ্ঞানপীঠ' বঁটা লাভ কৰিবলৈ সক্ষম হ'ল, সেই বিষয়ে এটি আলোচনা যুগুত কৰা।

(b) 'মৃত্যুঞ্জয়' উপন্যাসৰ আলমত অসমত ঘটা '৪২ৰ গণ-বিপ্লৱৰ আভাস দিয়া। সেই বিপ্লৱী-সংগ্ৰামী নেতা-সকলক 'বাস্তৱ জীৱনৰ পৰা বুটলি লোৱা' বোলা ঔপন্যাসিকৰ মন্তব্যৰ সংক্ষেপে যথাৰ্থতা দৰ্শোৱা।

**7.** তলৰ প্ৰশ্ন দুটাৰ উত্তৰ চমুকৈ লিখা : 30×2=60

(a) 'গাওঁবুঢ়া' নাটকত অসমীয়া সমাজ-জীৱনৰ চিত্ৰ কেনে-ধৰণে প্ৰতিফলিত হৈছে আৰু কাহিনীভাগত অৱতাৰণা কৰা হাস্যৰসৰ বিষয়েও চমুকৈ লিখা।

(b) 'গাওঁবুঢ়া' নাটকৰ আধাৰত 'জোনাকী যুগ'ৰ অন্যতম শ্ৰেষ্ঠ নাট্যকাৰ হিচাপে পদ্মনাথ গোহাঁইবৰুৱাৰ পৰিচয় আৰু নাট্য-প্ৰতিভাৰ বিষয়ে লিখা।

**8.** তলৰ প্ৰশ্ন দুটাৰ উত্তৰ চমুকৈ লিখা : 30×2=60

(a) সমস্যা-প্ৰধান নাটক হিচাপে 'কাৰেঙৰ লিগিৰী' নাটকৰ এটা পৰ্যালোচনা দাঙি ধৰা।

(b) 'কাৰেঙৰ লিগিৰী' নাটকৰ আলমত 'বিপ্লৱী মনীষাৰ প্ৰতীক' হিচাপে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই অংকন কৰা সুন্দৰ কোঁৱৰৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

★ ★ ★